ISSN 2250-290

জয়তি গোৱিন্দ

# সংস্কৃতি পল্লৱ

বৰ্ষা সংখ্যা

ত্ৰৈমাসিক ধৰ্মীয়–সামাজিক–সাংস্কৃতিক আলোচনী
শাওণ–ভাদ–আহিন, ১৯৪০ শকাব্দ
উনবিংশ বৰ্ষ, চতুৰ্থ সংখ্যা

নাদ ৰূপং পৰং জ্যোতি
নাদৰূপী স্বয়ং হৰি॥



# সূচীপত্ৰ


| | | |
|---|---|---|
| নাম আৰু নামঘৰৰ তাৎপৰ্য | ড° পীতাম্বৰ দেৱগোস্বামী | ০১ |
| সাধনাত ব্ৰহ্মজ্ঞান প্ৰাপ্তি | শ্ৰীদেৱানন্দদেৱ গোস্বামী | ০৮ |
| বিদ্যালয়ত নৈতিক, আধ্যাত্মিক আৰু মূল্যবোধৰ শিক্ষা | তুৱাৰাম খনিকৰ | ১১ |
| ভাগৱতী নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰত শ্ৰীশ্ৰীদামোদৰদেৱৰ অৱদান | উপেন্দ্ৰনাথ বৰদলৈ | ১৪ |
| সত্ৰ আৰু মাজুলীৰ লোক-সাংস্কৃতিক ঐক্য তথা সমন্বয় | ড° কুসুম্বৰ বৰুৱা | ১৮ |
| সাম্প্ৰতিক কালত যোগদৰ্শনৰ প্ৰাসংগিকতা ঃ এক ... | ড° ৰশ্মি দেৱী | ২৪ |
| শংকৰদেৱৰ অংকীয়া নাটত প্ৰকাশ পোৱা ৰসৰ স্বৰূপ | ড° নিউতী গগৈ | ৩২ |
| উদ্ভিদকেন্দ্ৰিক লোক-সাহিত্য আৰু অসমীয়া সমাজ | ড° দিলীপ কলিতা | ৪০ |
| চীনক চিনিবলৈ টান ঃ এখন উল্লেখযোগ্য ভ্ৰমণ সাহিত্য | দুলাল হাজৰিকা | ৫০ |
| Srimad Bhagavadgita and it's relevance | Dilip Borthakur | ৫৩ |
| The Dearmost Person | Joydeep Gogoi | ৫৬ |
| নাৰীৰ শেষ আশ্ৰয় বৃদ্ধাশ্ৰম নেকি | বন্দনা বৰঠাকুৰ | ৬২ |


কবিতা


| | | |
|---|---|---|
| ক্ষণে ক্ষণে গোপনে গোপনে | ড° লক্ষ্মীনন্দন বৰা | ৬৪ |
| এটি গীত | নগেন বৰা | ৬৫ |
| সৰি পৰা এখিলা পকা পাত | শ্ৰীহৰি চৰণ দলৈ | ৬৬ |
| ভক্তিৰসে গদ্ গদ্ ভাব | ব্ৰজেন খাউণ্ড | ৬৭ |
| চিঠি-পত্ৰ শিতান | | ৬৮ |

(সাময়িকী) ভাদমহীয়া নাম উপলক্ষে

# নাম আৰু নামঘৰৰ তাৎপৰ্য

✍ ড° পীতাম্বৰ দেৱগোস্বামী
শ্ৰীশ্ৰীআউনীআটী সত্ৰাধিকাৰ

নামঘৰৰ কিয় লাগে, নামঘৰ যোগেদি আমাৰ বাইজ কেনেকৈ পৰিচালিত হয় গোটেই কথাখিনি আমি চমুকৈ আলোচনা কৰিব বিচাৰিছোঁ। ইয়াৰ আগতে নাম কি, নামৰ তাৎপৰ্য আৰু নাম লোৱাৰ আৱশ্যকতা সম্পৰ্কত কথাখিনি আগতে উল্লেখ কৰা হৈছে। কোনো পদাৰ্থ সৃষ্টি নোহোৱাকে আদিতেই যি শব্দব্ৰহ্মৰ সৃষ্টি হৈছিল সেই শব্দব্ৰহ্মকেই আমি নাম বুলি কওঁ। জগতৰ সকলো সৃষ্ট পদাৰ্থৰ যি নাম আছে, এয়া কেৱল সাংকেতিক, পৰিচয় জ্ঞাপক শব্দ। কিন্তু শব্দ ব্ৰহ্ম ভগৱৎ নাম, সেই নাম তনু-মন-আত্মা ৰোমাঞ্চিত কৰিব পৰা শক্তিসম্পন্ন — এয়াই প্ৰকৃত ঈশ্বৰৰ নাম —

ন নাদেন বিনা জ্ঞানং ন নাদেন বিনা শিৱম্।
নাদ ৰূপং পৰং জ্যোতি নাদৰূপী স্বয়ং হৰি।।

নাদ শব্দৰ ব্যতিৰেকে জ্ঞান উদয় হ'ব নোৱাৰে। শিৱ শব্দৰ অৰ্থ হৈছে মঙ্গল। নাদ শব্দৰ ব্যতিৰেকে মঙ্গল সূচিত হ'ব নোৱাৰে। এই নাদ কি "নাদৰূপং পৰং জ্যোতি" — এই নাদেই পৰম জ্যোতি। নাদৰূপী স্বয়ং হৰি — সেই নাদেই হৈছে স্বয়ং হৰি। অৰ্থাৎ যি নাদক জ্যোতি বুলি কোৱা হয় সেয়ে হৈছে পৰম হৰি। সেয়ে নাদ ব্ৰহ্ম অৰ্থাৎ নাম আৰু নামীৰ মাজত পাৰ্থক্য নাথাকে। সেয়ে মহাপুৰুষজনাই কৈছে "আপোন নামৰ সঙ্গ নচাৰন্ত হৰি। যেই নাম সেই হৰি জানা নিষ্ঠ কৰি।।" নামৰ সঙ্গ হৰিয়ে ত্যাগ নকৰে — য'ত নাম থাকে তাত হৰি থাকে। সেয়ে নাম-নামী ভিন্ন বস্তু নহয়। ই অভিন্ন আৰু সেই কথাকেই অতি সুন্দৰকৈ আমাৰ মাধৱপুৰুষে নামঘোষাত কৈছে এইদৰে —

"মাধৱৰ নাম বৎস প্ৰায় ভৈল
ভক্তে তাংক লৈয়া যান্ত।
বেদৰ ঈশ্বৰ হৰিধেনু যেন
তাৰ পাছে পাছে ধান্ত।"

অৰ্থাৎ ভগৱৎ নাম এনেকুৱা — যেনেকৈ পোৱালিটো আগে আগে গ'লে গাই গৰুজনী তাৰ পাছে পাছে ধাৱিত হয় তেনেকৈ য'তেই ভগৱন্তৰ নাম লোৱা হয় তাতেই সেই বেদৰ ধেনু স্বৰূপ ঈশ্বৰে অৱস্থান গ্ৰহণ কৰে। অৰু এই কথাকে ভগৱন্ত শ্ৰীকৃষ্ণই নাৰদৰ সন্মুখত এইদৰে স্পষ্টকৈ কৈছে — "নাহং তিষ্ঠামি বৈকুণ্ঠে যোগিনাং হৃদয়ে ন চ মন্তক্তা। যত্ৰ গায়ন্তি তত্ৰ তিষ্ঠামি নাৰদঃ।" অৰ্থাৎ "হে নাৰদ মোৰ প্ৰিয় স্থান বৈকুণ্ঠ, মোৰ প্ৰিয় স্থান যোগীৰ হৃদয়, মই এই প্ৰিয় স্থান বিলাকো ত্যাগ কৰিব পাৰোঁ, কেতিয়া — যেতিয়া মোৰ ভক্তসকলে ভক্তি-শ্ৰদ্ধা-হেঁপাহেৰে মোৰ নাম লয়, সেই নাম লোৱা স্থান

অতি প্ৰিয় স্থানৰূপে মই বিবেচিত কৰোঁ আৰু মই তাতেই সহাবস্থান কৰোঁ।" সেয়ে শ্ৰদ্ধাৰে য'ত নাম ল'ব সেই নাম লোৱা ঠাইত ভগৱন্ত পুৰুষ বিৰাজিত হৈ থাকিব পাৰে। এই নামলোৱাৰ লগে লগে আমাৰ কি লাভ হ'ব পাৰে,

১) কৃষ্ণ কৃষ্ণেতি যো মাং স্মৰন্তি নিত্যসঃ
জলং ভিত্ত্বা যথা পদ্মং নৰকাদুদ্ধাৰম্যহম্।

অৰ্থাৎ "কৃষ্ণ কৃষ্ণ এই নাম যি সকলে উচ্চাৰণ কৰে শ্ৰদ্ধাৰে, মই তেওঁলোকক জলৰ মাজত যেনেকৈ পদুম সিক্ত নহয় (পদুমক পানীয়ে তিয়াব নোৱাৰে) তেনেকৈ নাম লোৱাসকলক সমস্ত কৰ্মৰ মাজত থাকিলেও তেওঁলোকৰ সমস্ত নৰকৰ দ্বাৰ বন্ধ কৰি দিব পাৰোঁ বা নৰকৰ পৰা তেওঁলোকক উদ্ধাৰ কৰি আনিব পাৰোঁ।" এয়া নামৰ মাহাত্ম্য। তাৰ লগে লগে কোৱা হৈছে —

২) ৰাম ৰামেতি ৰামেতি ৰাম নাম মনোৰমে
সহস্ৰ নাম তৎ তুল্যং ৰাম নাম বৰাননে।

সেই কৃষ্ণ নামৰ সমাৰ্থ নাম 'ৰাম'। এই ৰাম নাম ইমানেই মনোৰম, ইমানেই শ্ৰেষ্ঠ, যি শ্ৰদ্ধাৰে এই ৰাম নাম ল'ব তেওঁ সহস্ৰ নাম লোৱাৰ ফল লাভ কৰিব। আকৌ কোৱা হৈছে —

৩) পুণ্যাৰণ্যে নৃসিংহৈক নামসিংহ বিৰাজতে
যৎ নাদন্ত পলায়ন্তে মহা কল্মষ কুঞ্জৰা।

— অৰ্থাৎ অৰণ্যৰ মাজত সিংহৰ শব্দ শুনিলে যেনেকৈ সকলো পশু-পক্ষী ত্ৰাসিত হয়, তাৰ পৰা পলায়ন কৰে ঠিক সেইদৰে মানুহৰ বসতি স্থানখনক জন-অৰণ্য বুলি কোৱা হৈছে আৰু এই জন-অৰণ্যৰ মাজত থাকে নামসিংহ। প্ৰকৃতাৰ্থত নামসিংহৰ যদি ধ্বনি হয় সেই নামসিংহৰ ধ্বনিত সমস্ত পাপ তাৰ পৰা আঁতৰি যায়। আমাৰ পাপ বাসনা বিশাল হস্তীৰ দৰে (হাতীৰ দৰে) পৰ্বতৰ সমান। কিন্তু ইমান বিশাল আকাৰৰ হ'লেও নাম ধ্বনি উচ্চাৰণ কৰা ক্ষেত্ৰৰ পৰা সেই পাপময় হস্তী অনায়াসে পলায়ন কৰিব পাৰে বুলি কোৱা হৈছে। এয়ে হৈছে নামৰ মাহাত্ম্য।

এই নামৰ তত্ত্ব প্ৰকাশ, নামৰ তত্ত্ব প্ৰতিফলন ঘটাবৰ কাৰণে, নামৰ লক্ষ্য আৰু উদ্দেশ্য পৰিপূৰণৰ বাবে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে আমাক দিলে নামঘৰৰ আদৰ্শ। আমি এই নামঘৰক কেন্দ্ৰ কৰি নাম ল'ব পাৰোঁ আৰু সচাঁ অৰ্থত নামলোৱা কথাকে কেন্দ্ৰ কৰি সেই স্থানখনক কোৱা হৈছে নামঘৰ।

সঁচা, ধৰ্মীয় সত্তাইহে মানুহৰ প্ৰকৃত জীৱন গঢ় দিব পাৰে। এই ধৰ্মীয় সত্তাৰ আধাৰভূমি হ'ল ধৰ্মীয় ধ্বজাবাহী মঠ-মন্দিৰ তথা ধৰ্মীয় আৱাসক্ষেত্ৰসমূহ। ভাৰতৰ বিভিন্ন প্ৰান্তত মঠ-মন্দিৰ আৰু আশ্ৰম তথা ধামসমূহে মানৱ সত্তাৰ বুনিয়াদ নিৰ্মাণত অগ্ৰণী ভূমিকা গ্ৰহণ কৰি আহিছে যদিও ভাৰতৰ পূৱ প্ৰান্ত অসমত এই স্থান অধিকাৰ কৰি আহিছে নামঘৰ আৰু সত্ৰসমূহে। মন কৰিবলগীয়া বিষয়, ভাৰতৰ মঠ-মন্দিৰ তথা আশ্ৰম আৰু ধামসমূহত জ্ঞান, বিজ্ঞান, তদঙ্গ, ৰহস্য — এই চাৰি তত্ত্বৰ সাময়িক উপলব্ধিৰ ব্যৱহাৰ আছে যদিও এই চাৰি তত্ত্বক নিৰৱচ্ছিন্নভাৱে অঙ্গীভূত কৰি ইয়াৰ ছত্ৰছায়াত অনুশীলন আৰু প্ৰকৃত উপলব্ধিৰ ব্যৱহাৰ নাই, আছে একমাত্ৰ অসমৰ সত্ৰ অনুষ্ঠানত। অসমৰ সত্ৰতহে গুৰু, দেউ, নাম, ভকতৰ এক সাযুজ্য অৱস্থান আছে। জ্ঞান, বিজ্ঞান, তদঙ্গ, ৰহস্যৰ চাৰি প্ৰতীকীয়েই হ'ল গুৰু, দেউ, নাম, ভকত। সত্ৰৰ এনে আৰ্হিৰ সৰু সংস্কৰণেই হ'ল নামঘৰ।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে সৃষ্টি কৰা চাৰি বস্তুৰ সমাহাৰ তথা নামঘৰ কেৱল উপাসনাৰ কেন্দ্ৰ ভূমিয়েই নহয়, সমাজ নিৰ্মাণৰ সাংস্কৃতিক ক্ষেত্ৰ। দৌল-দেৱালয়, মঠ-মন্দিৰত উপাসনা মাধ্যমক আগত লৈ সাংসাৰিক জীৱই বিবিধ উপাচাৰ আগবঢ়াই কামনা-বাসনা পূৰণৰ থলীৰূপে ব্যৱহাৰ কৰে। কিন্তু সত্ৰ তথা নামঘৰ কেৱল কামনাৰ থলী নহয়। মূলতঃ এই অনুষ্ঠানদ্বয় সুকুমাৰ কলাবেষ্টিত সংস্কৃতিৰ ক্ষেত্ৰ, নৈতিক, আধ্যাত্মিক আৰু সামাজিক শিক্ষাৰ কৰ্ষণথলী।

সদাচাৰ, সংযমতা, শিষ্টাচাৰ, বিনয়ী স্বভাৱ আয়ত্ত কৰি অহংকাৰ তথা গৰ্বভাৱ শূন্য কৰিলেহে ঈশ্বৰ প্ৰাপ্তিৰ পথ প্ৰশস্ত কৰিব পাৰি। জগতে এক পৰিশীলিত সুন্দৰ জীৱন তথা সমাজ আশা কৰিব পাৰি। নামঘৰ এনে ভাৱৰাশিৰ অভ্যাস আৰু অনুশীলন কৰাৰ ঘাই ক্ষেত্ৰ। অভ্যাস আৰু অনুশীলনৰ বাবে নামঘৰ কেনেকৈ জড়িত হৈ আছে সেই কথা আলোচনা কৰিলে নামঘৰৰ প্ৰতিটো অঙ্গৰ কথা মনলৈ আহিব। নামঘৰৰ মূলতঃ চাৰিটা অঙ্গ আছে — সেই চাৰিটা হৈছে মণিকূট, গা-ঘৰ তথা কীৰ্তনঘৰ, বাওলী চ'ৰা আৰু কৰাপাট। যেনেকৈ বৈকুণ্ঠত অষ্ট দ্বাৰ আছিল, প্ৰতিখন দ্বাৰত দুজনকৈ ৰখীয়া থাকে, তেনেকৈ বৈকুণ্ঠ সদৃশ নামঘৰ আমাৰ মহাপুৰুষ গুৰুজনাই আমাৰ মাজত সৃষ্টি কৰি থৈ গ'ল। এই নামঘৰৰ অষ্ট দ্বাৰ নাথাকিলেও তাৰে চাৰি দ্বাৰত অত্যন্ত গুৰুত্ব দিয়া হৈছে। বৈকুণ্ঠৰ সপ্তম দ্বাৰত পশ্চিমত যেনেকৈ জয়-বিজয় আছিলে সেই দুৱাৰখনিক কল্পনা কৰি নামঘৰৰ সন্মুখত এখন তোৰণ নিৰ্মাণ কৰা হয়। সেই তোৰণখনিয়ে আমাক এফালে আধ্যাত্মিক আনফালে বাস্তৱ জীৱনৰ শিক্ষা দেখুৱাই দিয়ে। কেনেকৈ চাওক, বৈকুণ্ঠৰ দ্বাৰত জয়-বিজয় দ্বাৰী হৈ থাকোঁতে তেওঁলোকে ক্ষণিক সময়ৰ বাবে বৈকুণ্ঠৰ পৰিবেশ পাহৰি যোৱাৰ কাৰণে মানসিক ভাৱসমতা হেৰুৱাই পেলোৱা হেতু চাৰি সিদ্ধৰ দৰে তপস্বীসকলক তেওঁলোকে লঘু-লাঞ্চনা কৰিলে। যাৰ কাৰণে চাৰিসিদ্ধই জয়-বিজয়ক বৈকুণ্ঠ দ্বাৰৰ অযোগ্য বুলি ব্ৰহ্মশাপ দিলে। ফলত জয় বিজয়ে অসুৰৰ জীৱন ল'ব লগা হ'ল। তিনিটাকৈ জন্ম ল'ব লগা হ'ল — হিৰণ্যকশিপু - হিৰণ্যাক্ষ, ৰাৱণ - কুম্ভকৰ্ণ, দন্তবক্ৰ - শিশুপাল। আমাক এই তোৰণখনিয়ে এই কথা মনত পেলাই দিছে যে নামঘৰত প্ৰৱেশ কৰাৰ মুহূৰ্তত আমিও শুচি-সংযমী-সদাচাৰী হৈ আহিব লাগিব। যদি আমি তোৰণখনিত প্ৰৱেশ কৰোঁতেই অসংযত হৈ আহোঁ, অসদাচাৰী হৈ আহোঁ তেতিয়া আমাৰো হয়তো হিৰণ্যকশিপু-হিৰণ্যাক্ষৰ দৰে অৱস্থা প্ৰাপ্ত হ'ব পাৰে। অৰ্থাৎ জয়-বিজয়ে যিটো কাৰণে অসুৰ জনম ল'ব লগা হ'ল আমিও যাতে সেই অৱস্থা পাব নালাগে তাৰ বাবে সতৰ্ক হ'ব লাগিব। সেই কাৰণে তোৰণখন আমাৰ কাৰণে স্মৰণীয় সম্পদ। আমি যাতে শুচি, সংযমী আৰু সদাচাৰী হৈ শাৰীৰিক-মানসিক ভাৱসমতা ৰক্ষা কৰি অতি সংযত হৈ নামঘৰত প্ৰৱেশ কৰা বাসনা পুহি ৰাখিব পাৰোঁ। যদি আমি ইয়াৰ অন্যথা কৰোঁ তেতিয়া আমাৰো হয়তো আসুৰিক অৱস্থা প্ৰাপ্ত হ'ব পাৰে। ভগৱন্তৰ ক্ষেত্ৰলৈ আহোঁতে কোনো অসুৰ হৈ আহিব নোৱাৰে। ভগৱন্তৰ ক্ষেত্ৰলৈ আহোঁতে ভকত হৈ আহিব লাগিবই। সেই তোৰণখনিয়ে আমাক ভকত হোৱাৰ যোগ্যতা নিৰূপণ কৰি দিয়ে। ঠিক তেনেকৈ তাৰ পাছতেই আমাৰ বাওলী চ'ৰা পাওঁ, সৰু আকৃতিৰ ঘৰ যি নামঘৰৰ সন্মুখত থাকে, সেই চ'ৰাটিক বাওলী চ'ৰা এই অৰ্থত কোৱা হৈছে যে নামঘৰত ব্ৰহ্ম আছে, ভগৱন্ত আছে। ভগৱানৰ ঠাইলৈ যোৱাৰ প্ৰাকমুহূৰ্তত মনটো যদি আধ্যাত্মিক ৰঙেৰে ওপচি নপৰে তেতিয়া আমি তালৈ গৈ সুফল নাপাওঁ। সেয়ে আমাৰ মনটো ৰঙেৰে উপচাই পেলাবৰ কাৰণে আমাক সেই ঘৰটি দিয়া হ'ল — যিটোৰ নাম ৰখা হৈছে বাওলী চ'ৰা। য'ত প্ৰৱেশ কৰাৰ লগে লগে আধ্যাত্মিক ৰঙেৰে হৃদয়খন পৰিপূৰ্ণ হৈ উঠিব। তাৰ পাছত ভিতৰলৈ সোমাই আহিলে যিটো ঘৰ পাওঁ য'ত আমি নাম লওঁ, য'ত ভগৱন্তৰ উপাসনা, নাম-কীৰ্তন কৰোঁ সেই ঠাইক আমি নামঘৰ বুলি কৈছোঁ। কীৰ্তনঘৰ বুলি কৈছোঁ। তাত বহিয়েই চৌধ্য প্ৰসঙ্গৰেই হওক, দ্বাদশ প্ৰসঙ্গৰেই হওক, চাৰি প্ৰসঙ্গৰেই হওক আমি ভগৱন্তৰ গুণ-নাম কীৰ্তন কৰোঁ। আৰু ভগৱন্তৰ সেই গুণ-নাম কীৰ্তন কৰিবৰ কাৰণে আমাক আনুষ্ঠানিক পৰিৱেশ দিয়া হৈছে। আমি সেই গা-ঘৰত বহি আনুষ্ঠানিক মাধ্যমেৰে সেই ভগৱন্তৰ নাম লওঁ। তাৰ সন্মুখত যি

মণিকূট গৃহ, যি মণিকূটত ব্ৰহ্মক স্থাপন কৰি লোৱা হয় তাৰো এক আধ্যাত্মিক তাৎপৰ্য আছে। মণিকূট শব্দৰ কথা বিশ্লেষণ কৰিলেই আমি সেই কথা অনুভৱ কৰিব পাৰোঁ। আমাৰ সকলোৰে শিৰৰ তলত সহস্ৰপদ্ম মণিকৰ্ণিকা থাকে। সেই সহস্ৰপদ্ম মণিকৰ্ণিকাৰ তলত পৰমাত্মাৰূপী পৰম ব্ৰহ্ম ভগৱান থাকে। যোগীসকলে পৰমব্ৰহ্মক পাবৰ কাৰণে যি সহস্ৰ বছৰ হৃদয়ৰ মাজত ধ্যান কৰিছিল ধ্যান কৰোঁতে কৰোঁতে যোগীসকলে সেই সহস্ৰ পদ্ম মণিকৰ্ণিকাৰ তলত থকা ব্ৰহ্মক প্ৰথমতে আৱিষ্কাৰ কৰিছিল। প্ৰথমতে দেখা পাইছিল। সেই অৰ্থত এই স্থানক মণিকূট বুলি কোৱা হৈছে। অৰ্থাৎ সহস্ৰপদ্ম মণিকৰ্ণিকাৰ তলত যি ব্ৰহ্ম থকে সেই ব্ৰহ্ম থকা স্থানখনৰ নাম মণিকূট। 'মণি' শব্দৰ অৰ্থ হৈছে প্ৰকৃত বস্তু, 'কূট' শব্দৰ অৰ্থ হৈছে শীৰ্ষস্থান। যেনেকৈ শীৰ্ষ স্থানৰ তলত, সহস্ৰ পদ্ম মণিকৰ্ণিকাৰ অভ্যন্তৰত আমি পৰমাত্মাক দেখা পাওঁ সেই দৰে আমাৰ নামঘৰৰ সন্মুখত সৰু আকৃতিৰ যি ঘৰ তৈয়াৰ কৰি লওঁ সেয়াই হৈছে আমাৰ নামঘৰৰ শীৰ্ষস্থান আৰু সেই স্থানৰ আমি সহস্ৰপদ্ম মণিকৰ্ণিকাৰ তলত ব্ৰহ্ম আছে বুলি ভাবি ব্ৰহ্ম প্ৰতিষ্ঠা কৰি আমি তাত সেৱা জনাওঁ। সেই অৰ্থত সেই গৃহৰ নাম মণিকূট। মণিকূটত স্থাপন কৰা যি সিংহাসন, গুৰুআসন সেই গুৰুআসন বা সিংহাসনতেই সেই পৰমব্ৰহ্মক স্থাপন কৰি লওঁ। পৰমব্ৰহ্মৰ অষ্ট প্ৰকাৰ আকাৰ আছে – "শৈলীং দাৰুময়ীং লৌহীং লেপ্যা লেখ্যা চ শৈকতিং মনোময়ীং মণিময়ীং প্ৰতিমাষ্টাবিধা স্মৃতা" (ভাগৱত একাদশ স্কন্ধ)। ভগৱন্তৰ এই অষ্ট প্ৰকাৰৰ আকাৰৰ ভিতৰত বাঙ্ময় মূৰ্তি অক্ষৰ মূৰ্তি। সেয়াও এক প্ৰকাৰৰ ভগৱন্তৰ আকাৰ আৰু সেই অক্ষৰ মূৰ্তি তথা সেই বাঙ্ময় মূৰ্তিৰ গুণমালা আমি আসনত স্থাপন কৰি সেৱা জনাওঁ। সেয়াও আমাৰ সকলোৰে কাৰণে ভগৱন্তৰ আকাৰ স্বৰূপ, মূৰ্তি স্বৰূপ। আসনত যি এক প্ৰকাৰৰ মূৰ্তি তথা বিগ্ৰহ স্থাপন কৰাৰ পৰম্পৰা আছে ইয়াৰ ভিতৰত বিশেষকৈ আমাৰ অসমৰ গাঁৱে-ভূঞে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্ট দশম, গুণমালা আদি সেই আসনত স্থাপন কৰি ভক্তসকলে উপাসনা কৰে, সেৱা জনায়।

এই নামঘৰৰ এনেদৰে আধ্যাত্মিক তাৎপৰ্যৰ লগত বাস্তৱ জীৱনৰ শিক্ষাও লুকাই আছে। আমি আগতেই কৈছোঁ এজন মানুহৰ জীৱন সম্পূৰ্ণ কৰিবলৈ হ'লে বা এখন সমাজ সুন্দৰকৈ বৰ্তী থাকিবলৈ হ'লে নৈতিক, আধ্যাত্মিক, সামাজিক আৰু সাংস্কৃতিক শিক্ষাৰ প্ৰয়োজন। এই চাৰিটা শিক্ষাৰ অবিহনে এজন মানুহৰ জীৱন সম্পূৰ্ণ হ'ব নোৱাৰে। আৰু এই চাৰিটা শিক্ষাৰ অবিহনে এখন সমাজ সুন্দৰকৈ বৰ্তী থাকিব নোৱাৰে। এই চাৰিটা শিক্ষা আমাক দিছে নামঘৰে। আমি সকলোৱে জানো – হিত, অহিত, ভাল-বেয়া, উপকাৰ-অপকাৰ চিন্তাধাৰা বা বিচাৰ য'ত আছে সেয়েই হ'ল নৈতিক শিক্ষা। য'ত বিনয়ী জীৱনৰ পৰাকাষ্ঠা পূৰ্ণমাত্ৰাই বিদ্যমান হৈ থাকে। বিনয়ী স্বভাৱৰ অবিহনে নৈতিক শিক্ষাৰ ঘৰত প্ৰৱেশ কৰিব নোৱাৰে। সেই নৈতিক শিক্ষাৰ অন্যতম অংগ বিনয়ী স্বভাৱ। যেতিয়ালৈকে আয়ত্ত্ব কৰিব নোৱাৰিব তেতিয়ালৈকে মানুহ বিনয়ী হ'ব নোৱাৰিব, অহংকাৰ শূন্য হ'ব নোৱাৰিব, তেতিয়ালৈকে তেওঁ ভগৱৎ নামৰ সুফল পাব নোৱাৰে। সেয়ে আমাক নামঘৰৰ শিক্ষাই এই নৈতিক আৰু বিনয়ী জীৱনৰ শিক্ষা দিছে। কেনেকৈ দিছে, যেতিয়া ভকতসকল বহি থাকে নামঘৰত কোনোবাই যদি তাৰ আগেদি যাব খোজে কাপোৰৰ আঁচলটো লৈ বা হাতখন আগবঢ়াই লাহে লাহে যায়। গপ গপ কৈ দুজন ভকতৰ আগেদি যাব নোৱাৰে। এয়ে হৈছে বিনয়ী জীৱনৰ শিক্ষা। সমস্ত ভকতসকলে যেতিয়া একেলগে বহি নাম গাই, নাম গোৱাৰ আগমুহূৰ্তত ইজনে সিজনক শ্ৰদ্ধাৰে নমস্কাৰ কৰি লয়। তাৰ পাছতহে নাম গায়। এয়া হৈছে বিনয়ী জীৱনৰ আখৰা। ঠিক তেনেকৈ যেতিয়া ভগৱৎ চিন্তাত নিমগ্ন হৈ ভগৱন্ত নাম লয় সেয়া হৈছে আধ্যাত্মিক

শিক্ষাৰ পৰিচয়। কাৰণ ভগৱানত বিশ্বাস থকা চিন্তাই হৈছে আধ্যাত্মিক চিন্তা, যি পৰম সত্য তাকেই আমি ভগৱান বুলি কওঁ। কাৰণ ভগৱানেই পৰমব্ৰহ্ম। সকলো বস্তুৰেই ক্ষয় আছে কিন্তু পৰমব্ৰহ্মৰ ক্ষয় নাই। আৰু সেই পৰম সত্যৰ প্ৰতি যি আনুগত্য প্ৰকাশ সেয়াই আধ্যাত্মিকতা। আৰু সকলোৱে বহি একেলগে যি সমাজ তৈয়াৰ কৰিব তাতে থাকিব সামাজিক শিক্ষা। আমাৰ নামঘৰত কেনেকৈ সেই সামাজিক শিক্ষা প্ৰদৰ্শন কৰা হৈছে চাওক – আমি গোস্বামী, শৰ্মা, দত্ত, শইকীয়া, বৰদলৈ, গগৈ আদি লোকসকলে মিলি একেলগে বহি নাম গাওঁ কিন্তু কোনো কাৰণতে আমি ব্যক্তিগত উপাধিৰে নামলোৱাসকলক পৰিচয় নিদিওঁ, আমি কওঁ ভকতে নাম লৈছে। অৰ্থাৎ নামগোৱাৰ সময়ত নিজৰ ব্যক্তিগত উপাধি বিলাক লোপ পায়। এয়া হৈছে সামাজিক জীৱনৰ শিক্ষা। সকলোৱে মিলি একেলগে যেতিয়া নাম লয় যিখন ভকতৰ সমাজ তৈয়াৰ কৰে সেইখনেই হৈছে সমন্বয়ৰ সমাজ। এইখনেই হৈছে সম্প্ৰীতিৰ সমাজ। আৰু এই ভকতৰ সমাজখন, যি শিক্ষাই আমাক গঠন কৰি দিছে ইয়াতেই আছে অতুলনীয় আদৰ্শ। সেয়ে আমি নামঘৰৰ যোগেদিয়েই সামাজিক জীৱনৰ শিক্ষা লাভ কৰোঁ। আৰু ঠিক এইদৰে যি পৰিৱেশত আমি নাম লওঁ, যি পৰিৱেশত আমি নামঘৰ তৈয়াৰ কৰি লওঁ তাত আছে সাংস্কৃতিক শিক্ষা। ইংৰাজীত এষাৰ কথা আছে Art is subtle and delicate and its movement makes the mind also subtle and delicate – অৰ্থাৎ কলা গধুৰ আৰু মধুৰ, কলাৰ চৰ্চাই মানুহৰ মন বিলাক গধুৰ আৰু মধুৰ কৰি তুলিব পাৰে। আমাক যি নামগোৱাৰ পৰিৱেশ দিয়া হ'ল তাত আছে কলাত্মক ব্যঞ্জনা, কলা ব্যঞ্জনাত্মক চিন্তা। অৰ্থাৎ আমি কলাৰ আধাৰতেই নাম লওঁ, কলাৰ আধাৰতহে নামঘৰত প্ৰৱেশ কৰোঁ। কলাৰ আধাৰতহে আমি নামঘৰৰ কৰ্ম বিলাক সম্পাদন কৰোঁ। এই কলাত্মক পৰিৱেশত আমি যি নামঘৰত কাৰ্য কৰোঁ, নাম লওঁ এয়ে হৈছে সাংস্কৃতিক শিক্ষা। আৰু এই কলাত্মক চিন্তাই সচাঁকৈ আমাৰ মন বিলাকো গধুৰ আৰু মধুৰ কৰি তুলিব পাৰে। যেতিয়ালৈকে মানুহৰ মন বিলাক চেলেং পেতেং হৈ থাকিব, মনটো অস্থিৰ হৈ থাকিব কেতিয়াও তেওঁ ব্ৰহ্মৰ নাম লৈ সুফল পাব নোৱাৰে। গতিকে আমি ব্ৰহ্মৰ নাম ল'বলৈ যাওঁতে তাত সুফল পোৱাৰ বেলিকা আমাৰ মনবিলাক গধুৰ আৰু মধুৰ কৰি তুলিব লাগিব। সেয়ে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে আমাক কলাত্মক পৰিৱেশেৰে নাম ল'বলৈ শিক্ষা দিছে। আৰু এই নামঘৰতেই আছে সংগীতৰ চৰ্চা, নৃত্য–গীতৰ চৰ্চা, স্থাপত্য–ভাস্কৰ্য কলাৰ চৰ্চা। য'ত ভাওনাৰ দৰে অনুষ্ঠান অনুষ্ঠিত হয়, য'ত ভাগৱত পাঠৰ অনুষ্ঠান অনুষ্ঠিত হয়, য'ত নাম কীৰ্তন হয় – – এই সকলোতেই আছে সাংস্কৃতিক পৰিৱেশ। এইদৰে আমি নামঘৰৰ মাজত এনে তত্ত্বপূৰ্ণ শিক্ষা বিলাক লাভ কৰোঁ। এই নামঘৰ আমাৰ সমাজ-জীৱনৰ সম্প্ৰীতিৰ মূল আদৰ্শ। আমাৰ মাজত কাৰোবাৰ যদি কেতিয়াবা কাজিয়া লাগে আগৰ পৰম্পৰা অনুসৰি গাঁৱৰ মুখিয়ালসকলে নামঘৰত বহি কাজিয়া নিষ্পত্তি কৰে। কেনেকৈ? দুজন মানুহক বহুৱাই বিচাৰ আৰম্ভ কৰে। যাৰ গাত দোষ থাকে তেওঁক দোষী সাব্যস্ত কৰি লগে লগে কয় "তুমি দোষী বুলি প্ৰমাণিত হৈছা। তুমি এই মুহূৰ্তত এটি বঁটাত, এখন শৰাইত গুৱা–পাণ এযুৰি থৈ ৰাইজৰ ওচৰত আঁঠু লোৱা।" লগে লগে তেওঁ সেই কাম কৰে আৰু তেওঁৰ লগে লগে অন্তৰখন অনুশোচনাৰে দগ্ধ হৈ পৰে। তেওঁ গুৱা-পাণ যুৰি থৈ ৰাইজৰ ওচৰত আঁঠু লোৱাৰ লগে লগে তেওঁ কেতিয়াও তেনে অকাৰ্য, অপৰাধপ্ৰৱণতাৰ দৰে কৰ্ম নকৰে। তেওঁ এনেকুৱা ধৰণে সংশোধিত হয়, কেতিয়াও তেওঁ জীৱনত তেনে ভুল নকৰে। কিন্তু আজি প্ৰমাণ কৰি চাব পাৰি এজন মানুহক দোষী সাব্যস্ত কৰি জে'লত ভৰাই থোৱা হ'ল। ১০ বছৰ জে'ল খাটিলে,

বহুত জৰিমনা ভৰিলে, তাৰ পাছত যেতিয়া তেওঁ ওলাই আহিব তেওঁ কিন্তু সুপ্ত সিংহৰ দৰে প্ৰতিশোধ পৰায়ণেৰে ইজনৰ ওপৰত প্ৰতিহিংসা পূৰণৰ কাৰণে জঁপিয়াই পৰিব। অৰ্থাৎ ১০ বছৰ জে'ল খোৱাৰ পিছতো তেওঁৰ অন্তৰ অনুশোচনা হোৱা নাই। কিন্তু সাধাৰণ গুৱা–পাণ যুৰিৰে ৰাইজৰ ওচৰত বঁটাটো সম্মুখত লৈ আঁঠুকাঢ়াৰ লগে লগে তেওঁ একেদিনাই অনুশোচনাত দগ্ধ হ'ব পাৰে। সেয়ে আমাৰ সমাজ–জীৱনত থকা সেই আদৰ্শ আমাৰ কাজিয়া, সমস্যা সমাধান কৰাৰ এক সুন্দৰ আদৰ্শ। যাৰ যোগেদি মানুহে বহু দিনলৈ অনুশোচিত হ'ব পাৰে। সেয়ে অসমৰ সমাজ–জীৱনত নামঘৰ এক আদালত বুলি কোৱা হৈছে। সত্ৰমুখী ৰাইজ যেতিয়া সত্ৰলৈ যায় সত্ৰৰ পৰা মত গ্ৰহণ কৰি অনাৰ লগে লগে যিকণ আসোঁৱাহ থাকে সেইকণো দূৰ হৈ যায়। সেয়ে সমাজ–জীৱনৰ বিশ্বাস অনুসৰি নামঘৰ নিম্ন আদালত, সত্ৰ উচ্চ আদালত। এই আদালতৰ পৰম্পৰাৰে আমাৰ সমাজখন ধৰি ৰখা হয়। সকলোৱে নিশ্চয় মন কৰিছে আমি কোৱা কথাখিনি ধৰ্মীয় বিশ্বাস প্ৰধান। কিন্তু নামঘৰ কেৱল ধৰ্মীয় পৰম্পৰাৰে অনুষ্ঠান বুলি ক'লে সম্পূৰ্ণ নহয়। এটা নামঘৰত আছে বিজ্ঞানসম্মত ব্যৱস্থা। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে যি আমাক নৃত্য–গীত, ভাওনা, নামঘৰ, সত্ৰ অনুষ্ঠানৰ আৰ্হি দি থৈ গ'ল সেই সকলোতে আছে বিজ্ঞানসম্মত যুক্তি। অকণমান কথা এই প্ৰসংগতে সংযোগ কৰিব খুজিছোঁ। নামঘৰক কেন্দ্ৰ কৰি আমাৰ লোকসকল কেনেকৈ বৈজ্ঞানিক চিন্তাৰে পৰিচালিত হয় চাওক, যেতিয়া ভকতসকল নাম গাবলৈ আহে নামঘৰলৈ আহোঁতে ক'লা, ৰঙা, হালধীয়া কাপোৰ পিন্ধি আহিব নোৱাৰে। তেওঁলোকে বগা বস্ত্ৰ পিন্ধি আহিবই লাগিব। তেতিয়াহে তেওঁক ভকত বুলি গণ্য কৰা হ'ব আৰু তেতিয়াহে তেওঁ নাম লৈ সুফল পাব। অৰ্থাৎ এই বগা বস্ত্ৰৰ লগত একালে যেনেকৈ আধ্যাত্মিক চিন্তা আছে আনফালে আছে সাত্বিকতাৰ পৰিচয়। ই সত্যৰ প্ৰতীক, আনফালে বগা বস্ত্ৰত আছে মনটো স্থিৰ কৰি ৰখাৰ উপাদান। তাৰ উদাহৰণ এজন ডাক্তৰ। ডাক্তৰজনে যেতিয়া অপাৰেশ্বন কমত সোমাই অপাৰেশ্বন কৰে বা ৰোগীক ভালকৈ পৰীক্ষা কৰে তেওঁ এটা বগা গাওন পিন্ধিবলৈ বাধ্য। বগা গাওনটো কিয় পিন্ধিবলৈ দিয়া হ'ল — তেওঁটো ক'লা গাওন এটা পিন্ধিব পাৰিলেহেঁতেন। অৰ্থাৎ কোৱা হৈছে সেইখিনি সময়ত ডাক্তৰজনে ৰোগী পৰীক্ষা কৰোঁতে তেওঁৰ মনটো স্থিৰ কৰি ৰাখিব লাগিব। যদি উদভ্ৰান্ত হৈ থাকে মনটো, ৰোগীক চিকিৎসা কৰি সুফল নাপাব, বগা বস্ত্ৰ পিন্ধাৰ লগে লগে তেওঁৰ মনটো স্থিৰ হোৱাত সহায় কৰে। সেয়ে আমাকো কোৱা হৈছে - "ভকত স্বৰূপে নাম গোৱা। তোমালোকৰ মনটো স্থিৰ হৈ থাকিব লাগিব। তেতিয়াহে তোমালোকে ব্ৰহ্মৰ নাম লৈ সুফল লাভ কৰিবা।" ই সম্পূৰ্ণ বিজ্ঞানভিত্তিক যুক্তি। সেইদৰে ডাক্তৰে মুখত মাস্ক পিন্ধাটো যেনেকৈ অপৰিহাৰ্য সেইদৰে আমাৰ দেউৰী–বিলনীয়াইও মুখত কাপোৰ বা গামোচা মাৰি প্ৰসাদ সজোৱা, বিতৰণ কৰাটো বাধ্যতামূলক। ই সম্পূৰ্ণ বিজ্ঞানভিত্তিক কথা। আনহাতে আদা টুকুৰাত আছে বিজ্ঞানসম্মত কথা, যি আদাই প্ৰসাদ খাওঁতে হজমী শক্তি দুগুণে বৃদ্ধি কৰে। যিহেতু আদা টুকুৰাত অধিক মাত্ৰাত Clorific acid থাকে। সেইদৰে প্ৰসাদ খাই মুখ প্ৰক্ষালন নকৰিলে দাঁতৰ গুৰিয়ে গুৰিয়ে প্ৰসাদৰ টুকুৰা সোমাই থকাটো নিশ্চিত, ফলত দন্ত ৰোগ সৃষ্টি কৰিবই আৰু আন প্ৰতিক্ৰিয়াৰো সৃষ্টি কৰিব। সেয়ে প্ৰসাদ খোৱাৰ পিছত কুঁহিয়াৰ টুকুৰা চোবাই দিলে তাৰ ৰসেৰে আওপকীয়াকৈ মুখখন ভকত গৰাকীয়ে প্ৰক্ষালন কৰিব পাৰে। এনে সমূহ কথা সম্পূৰ্ণ বিজ্ঞানসম্মত। সমস্ত কেঁচা প্ৰসাদত এনজাইম, প্ৰ'টিন আৰু আইৰন থাকে যি উপাদানসমূহে ভিটামিনৰ কাম কৰে। কেঁচা মাহ–প্ৰসাদ সকলো ৰোগীৰ বাবে পথ্য হ'ব পাৰে। লগতে হাত চাপৰি বজাই নাম গোৱা কাৰ্যতো আছে

বিজ্ঞানসম্মত ব্যৱস্থা। যেতিয়া হালি-জালি, জোৰেৰে হাত চাপৰি বজাই ভকতে নাম গাই তেতিয়া দুই হাতৰ ঘৰ্ষণত হাতৰ তলুৱাত প্ৰচণ্ড চাপ পৰে ফলত শিৰা-উপশিৰা অধিক কাৰ্যক্ষম হয় আৰু তেজৰ সঞ্চালন অধিকৰূপে বৃদ্ধি পায়। সেই মুহূৰ্তত শৰীৰটো হয় ঘৰ্মাসক্ত - পৰিণতিত শৰীৰৰ পৰা অতিৰিক্ত নিমখ ওলাই যায়। তেতিয়া শৰীৰটোক এই প্ৰক্ৰিয়াই ৰোগমুক্ত কৰি তোলাত সহায় কৰে। আন হাতে যি আসনত বহি ভকতসকলে নাম গায় সেই আসনো বিজ্ঞানসম্মত, সেই আসন তৃণাসন, তৃণাসন ৰোগমুক্ত আসন। বিশেষকৈ তৃনাসনত থাকে দুগুণ দাহিকা শক্তি। এনে আসনত বহি নামগালে নাম গোৱাজনৰ হজমী শক্তি দুগুণে বৃদ্ধি কৰে।

সেয়ে ক'ব পাৰি নামঘৰ কেৱল মান্ধাতা যুগীয়া এক পৰম্পৰাগত ধৰ্মীয় অনুষ্ঠানেই নহয়, নামঘৰ বিজ্ঞানসম্মত তথা প্ৰধান অনুষ্ঠান। যুক্তি সহকাৰে নামঘৰৰ কথাখিনি নৱ প্ৰজন্মৰ সন্মুখত দাঙি ধৰিলে কোনো কাৰণতে এই প্ৰজন্মই নামঘৰৰ প্ৰতি অনীহা ভাৱ প্ৰদৰ্শন কৰিব নোৱাৰে। প্ৰকৃতাৰ্থত নামঘৰ আমাৰ কাৰণে অভিভাৱক স্বৰূপ। পূৰ্ণজীৱন গঢ় দিব পাৰি নামঘৰক কেন্দ্ৰ কৰি। ভয়-শংকা-সংশয় দূৰ কৰিব পাৰি নামঘৰৰ যোগেদি। পৰিয়ালৰ মূল অভিভাৱক পিতৃয়ে যিদৰে সমস্ত কথাৰ সিদ্ধান্ত দিয়ে সেইদৰে নামঘৰে সকলোৰে আশা-আকাংক্ষা পূৰণ কৰাৰ লগতে সকলো সমস্যা সমাধানৰ পথ প্ৰশস্ত কৰি তোলে। এই মুহূৰ্তত ক'ব পাৰি নামঘৰক কেন্দ্ৰ কৰি অধিক সময় দিলে অসমীয়া সমাজৰ লোক সুৰক্ষিত হোৱাটো নিশ্চিত। □

---

## জীৱনৰ সাৰ বাণী

| | | |
|---|---|---|
| সদায় ভগৱানক প্ৰাৰ্থনা কৰিবা | ঃ | মনৰ চঞ্চলতা দূৰ হ'ব। |
| সকলো অৱস্থাতে মনক সন্তুষ্ট ৰাখিবা | ঃ | শৰীৰ সুস্থ থাকিব। |
| ক্ৰোধ নকৰিবা | ঃ | নিজৰ অনিষ্ট হ'ব। |
| অহংকাৰ নকৰিবা | ঃ | নিজৰ ধ্বংস মাতি অনা হ'ব। |
| অসৎ সঙ্গলৈ নাযাবা | ঃ | চৰিত্ৰ কলুষিত হ'ব। |
| নম্ৰভাষী হোৱা | ঃ | সকলোৰে প্ৰীতি লাভ কৰিবা। |
| সাধুৰ সঙ্গ লোৱা | ঃ | সত্যৰ সন্ধান পাবা। |
| সত্যৰ আশ্ৰয় লোৱা | ঃ | শান্তি পাবা। |
| কাৰো প্ৰাণত কষ্ট নিদিবা | ঃ | ভগৱান ৰুষ্ট হ'ব। |
| কথা বেছিকৈ নক'বা | ঃ | কথাৰ মূল্য নাথাকিব। |
| মিছা কথা নক'বা | ঃ | অবিশ্বাসৰ পাত্ৰ হ'বা |
| কাকো সন্দেহ নকৰিবা | ঃ | অশান্তি পাবা। |
| অনৰ্থক কথাত কাণ নিদিবা | ঃ | কৰ্তব্যচ্যুত হ'বা |
| সন্মান নিবিচাৰিবা | ঃ | অসন্মানীত অনুভৱ কৰিবা |
| ভোমোৰাৰ দৰে ফুলৰ মৌ বিচাৰিবা | ঃ | মাখিৰ দৰে অপৰিষ্কাৰ ঠাইলৈ নাযাবা। |
| কৃতিত্বভিমানী হৈ কাম নকৰিবা | ঃ | জীৱন বৃথা হ'ব। |